**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-MAY-2026 **Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় আজি প্ৰদান কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে আজি দিনৰ ২ বজাত এই ৰায় দিব। ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত কাৰাৰুদ্ধ হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে আজি শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব। আনহাতে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও আজি অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ ৰায় দিব।

০০০০০০০০

ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে কামৰূপ আৰু শদিয়া সমজিলাৰ দুটা স্থানত ছোৱাইন ফ্লুৰ প্ৰদুৰ্ভাৱ ধৰা পৰালৈ চাই বিশেষ সতৰ্কতা অৱলম্বন কৰিছে আৰু সকলো জিলাকে সন্থম হৈ থাকিবলৈ নিৰ্দেশ দিছে। বিভাগে শদিয়া সমজিলাৰ উত্তৰ ৰংপুৰীয়া গাঁৱত গাহৰিৰ দেহত এই ৰোগ ধৰা পৰাৰ পাছত অভিকেন্দ্ৰৰ এক কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাক আক্ৰান্ত অঞ্চল হিচাপে চিনাক্ত কৰি গাহৰিৰ মাংস আৰু গাহৰিৰ বিক্ৰী সম্পূৰ্ণৰূপে বন্ধ কৰিছে। পশু পানল বিভাগে আজিৰ ভিতৰত আক্ৰান্ত গাহৰিসমূহ নিধন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। শদিয়াৰ পৰা অন্য জিলা তথা অৰুণাচল প্ৰদেশলৈ গাহৰিৰ মাংস অথবা গাহৰি মাংসৰ সামগ্ৰী প্ৰেৰণ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। প্ৰশাসনে ৰাইজক আতংকিত নহʼবলৈ আৰু এই ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। অৱশ্যে যোৱা বছৰ ছোৱাইন ফ্লুৱে মাৰাত্মক ৰূপ লোৱা ধেমাজি, লখিমপুৰ, শিৱসাগৰ, দৰং, ডিব্ৰুগড় আদি জিলাত বৰ্তমানলৈকে কোনো গাহৰিৰ দেহত এই ৰোগ ধৰা পৰা নাই।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনত হʼবলগীয়া ২০২৭ বৰ্ষৰ লোকপিয়ল সন্দৰ্ভত ইতিমধ্যে অধিসূচনা জাৰি কৰা হৈছে। লোকপিয়লৰ পূৰ্বে গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সঠিক আৰু প্ৰযুক্তিভিত্তিক ভাবে সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় লোকপিয়ল কাৰ্যসূচীৰ অধীনত গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ আৰু স্বচ্ছ কৰি তোলাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। তামুলপুৰ, ধেমাজি, শিলচৰ, মৰিগাঁও জিলাত কালি লোকপিয়লৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। সমাগত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচী কাইলৈকে চলিব।

০০০০০০

অসম বিধানসভাৰ সচিব দুলাল পেগুক কালি অসম বিধানসভাৰ বিশেষ অধিবেশনৰ অন্তিম দিনটোত বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে তাৎক্ষণিকভাৱে অপসাৰণৰ নিৰ্দেশ দিয়ে। দুলাল পেগুৰ ২০২৪ চনৰ জানুৱাৰীতে অৱসৰৰ দিন আছিল। পূৰ্বৰ অধ্যক্ষই দুলাল পেগুৰ চাকৰিৰ ম্যাদ বৃদ্ধি কৰিছিল।

*(বাইট) ৰঞ্জিত কুমাৰ দাস*

oooooo

পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত আজি সেৱা চে সমৃদ্ধি শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন কৰা হৈছে। পঞ্চায়তৰ নেতৃত্বত সেৱা প্ৰদান ব্যৱস্থাৰ প্ৰতি সন্মান জনাই আয়োজন কৰা এই কৰ্মশালাত কেন্দ্ৰীয় পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী এছ পি সিং বাঘেল আৰু মন্ত্ৰী অতুল বৰা উপস্থিত থকাৰ কথা। এই কৰ্মশালাত অসম, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, পাঞ্জাব, ৰাজস্থান আৰু তেলেংগানাৰ পঞ্চায়তৰ বিষয়ববীয়া, নিৰ্বাচিত প্ৰতিনিধি, গাঁও পঞ্চায়তৰ উদ্যোগীসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিষয়াসকল উপস্থিত থাকিব। ৰাজ্যসমূহৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী গাঁও পঞ্চায়ত আৰু চেম্পিয়ন কমন চাৰ্ভিচ চেণ্টাৰক এই কৰ্মশালাত সম্বৰ্ধনা জনোৱা হ'ব। ডিজিটেল ৰূপান্তৰ জৰিয়তে পঞ্চায়ত নেতৃত্বৰ সেৱা প্ৰদান ব্যৱস্থা শক্তিশালী কৰা, নাগৰিকৰ অংশগ্ৰহণ, উদ্ভাৱন, বহুভাষিক প্ৰশাসন আৰু তৃণমূল পৰ্যায়ত ৰাজহুৱা সেৱা উন্নত কৰাৰ বিষয়ে কৰ্মশালাত আলোচনা কৰা হ'ব।

ooooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। অহা ৫ জুনলৈ চলিবলগীয়া এই পৰীক্ষাত এইবেলি ৬৪ হাজাৰ ৫০ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰিষদৰ সচিব নৰনাৰায়ণ নাথে জনোৱা অনুসৰি ৰাজ্যৰ মুঠ ১১৬টা কেন্দ্ৰত কাইলৈৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষা আৰম্ভ হ'ব। পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে।

ooooooooo

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ আজিৰে পৰা পৰ্যটকৰ বাবে বন্ধ থাকিব। বাৰিষা আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তথ্য অনুসৰি ২০২৫-২৬ পৰ্যটন বৰ্ষত উদ্যানখনলৈ ৪ লাখ ৬৮ হাজাৰৰো অধিক পৰ্যটকৰ আগমন হয়। এই বৰ্ষত বিদেশী পৰ্যটকৰ সংখ্যাও যথেষ্ট বৃদ্ধি হোৱা বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

oooooooo

**সমাপ্ত**